IJCRT.ORG ISSN : 2320-2882

INTERNATIONAL JOURNAL OF CREATIVE RESEARCH THOUGHTS (IJCRT)

An International Open Access, Peer-reviewed, Refereed Journal

# সাম্প্ৰতিক অসমীয়া সাহিত্যৰ বিকাশত বিজ্ঞানৰ ভূমিকাঃ সামাজিক মাধ্যমৰ বিশেষ উল্লিখনেৰে

ড° দীক্ষিতা দেৱী

সহকাৰী অধ্যাপিকা

অসমীয়া বিভাগ

শ্বহীদ স্মৃতি মহাবিদ্যালয়

বেলশৰ

সংক্ষিপ্তসাৰঃ

অসমীয়া সাহিত্যৰ ইতিহাস বিশাল আৰু বিস্তৃত। অসমীয়াত লিখিত সাহিত্যৰ পৰম্পৰা গঢ় লৈ উঠাৰ পূৰ্বে জনসাধাৰণৰ স্মৃতিৰ মাজতেই সাহিত্যৰ সৃষ্টি আৰু চৰ্চা অব্যাহত আছিল। বিজ্ঞানৰ অভূতপূৰ্ব সফলতাৰ ফলত সাহিত্য গণমুখী হ'বলৈ সুবিধা পায়। অসমত মুদ্ৰণ ব্যৱস্থাৰ প্ৰয়োগ আৰম্ভ হোৱাৰ লগে লগে বাতৰি কাকতে অন্যতম গণমাধ্যম হিচাপে আত্মপ্ৰকাশ কৰে। সাহিত্যৰউত্তৰণৰ ক্ষেত্ৰত বাতৰি কাকতৰ ভূমিকা উল্লেখনীয়। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ ন ন উদ্ভাৱনে মুদ্ৰণ ব্যৱস্থাটোক আৰু অধিক ক্ষীপ্ৰ আৰু গতিশীলতা প্ৰদান কৰিছে। যাৰ ফলত বাতৰি কাকত, আলোচনী আদি সহজলভ্য হৈ পৰিছে। আনহাতে ৰেডিঅ', দূৰদৰ্শন আদি সামাজিক মাধ্যমত প্ৰচাৰিত সাহিত্যৰ শিতানসমূহে সৰ্বস্তৰৰ লোকক যেনেদৰে প্ৰভাৱিত কৰিছে তেনেদৰে এক শ্ৰেণীৰ লোকে এইবোৰৰ জৰিয়তে স্বকীয় প্ৰতিভা বিকশিত কৰা ক্ষেত্ৰ এখন বিচাৰি পাইছে।

সাম্প্ৰতিক সময়ত ইণ্টাৰনেট, ফেচবুক, টুইটাৰ আদি সামাজিক মাধ্যমসমূহ অধিক জনপ্ৰিয় আৰু প্ৰয়োজনীয় হিচাপে বিবেচিত হৈছে। ইণ্টাৰনেটৰ জৰিয়তে নূনতম খৰচত অধিক মাত্ৰাত খা-খবৰ, জ্ঞান আৰু তথ্য দ্ৰুতগতিত সংগ্ৰহ আৰু প্ৰেৰণ কৰাৰ সুবিধা হৈছে। ফেচবুক বৰ্তমান সময়ৰ অন্যতম জনপ্ৰিয় মাধ্যম। ই সাহিত্য চৰ্চাৰ অন্যতম স্থলী। ফেচবুকত উপলব্ধ বিভিন্ন গোট, পেজ, ব্লগ আদিয়ে ভাষা-সাহিত্যৰ চৰ্চা, সৃষ্টি আৰু প্ৰসাৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। জনপ্ৰিয়তা আৰু প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি পঢ়ুৱৈ আৰু লেখকসকল এই মাধ্যমৰ প্ৰতি অধিক আকৰ্ষিত হোৱা বুলি ধাৰণা কৰা হৈছে। আমাৰ গৱেষণা পত্ৰৰ জৰিয়তে সাম্প্ৰতিক অসমীয়া সাহিত্যৰ বিকাশত বিজ্ঞানৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাৰ লগতে এইক্ষেত্ৰত সামাজিক মাধ্যমে কি অৰিহণা আগবঢ়াইছে সেইবিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। তথ্যসংগ্ৰহ আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছে।

সূচক শব্দঃ মুদ্ৰণ, সামাজিক মাধ্যম, ফেচবুক।

আৰম্ভণিঃ

অসমীয়া সাহিত্যৰ ক্ৰমবিকাশত বিজ্ঞানৰ ভূমিকা এক আলোচনীয় বিষয়। অসমত লিখিত সাহিত্যৰ সূচনা হোৱাৰ আগতে মানুহৰ মুখে মুখে এক শ্ৰেণীৰ সাহিত্য প্ৰচলিত আছিল, যাক মৌখিক বা লৌকিক সাহিত্য বুলি অভিধা দিয়া হৈছে। এইবিধ সাহিত্যৰ মাজতো বৈজ্ঞানিক মনস্কতাৰ উমান পোৱা যায়। কিন্তু অসমৰ মুদ্ৰণ ব্যৱস্থাৰ আৰম্ভণি হোৱাৰ লগে লগে সাহিত্যই বিভিন্ন দিশেৰে অগ্ৰগতি লাভ কৰিবলৈ সুবিধা পালে। বিভিন্ন আলোচনী, বাতৰি কাকত আদিত বিজ্ঞানবিষয়ক আলোচনা, প্ৰবন্ধ আদিৰ প্ৰকাশ আৰু সম্পূৰ্ণ বিজ্ঞানবিষয়ক গ্ৰন্থৰ প্ৰকাশে সাহিত্যৰ উত্তৰণত সহায় কৰিছে। ইয়াৰ উপৰিও ৰেডিঅ', দূৰদৰ্শন আদি সামাজিক মাধ্যমসমূহৰ জৰিয়তেও সাহিত্যৰ বিকাশ সাধিত হোৱা দেখা

গৈছে৷ বৰ্তমান বিজ্ঞান আৰুপ্ৰযুক্তিবিদ্যাৰ উন্নত ব্যৱস্থাৰ ফলত বিভিন্ন সামাজিক মাধ্যমে সাহিত্য চৰ্চাৰ এক সুচল পথ আৰু পৰিৱেশ সৃষ্টি কৰিছে৷

অধ্যয়নৰ লক্ষ্যঃ

অসমীয়া সাহিত্য সম্প্ৰসাৰিত হোৱাৰ ক্ষেত্ৰত বিজ্ঞানে আগবঢ়োৱা অৰিহণা সম্পৰ্কে আলোচনা কৰা অত্যন্ত প্ৰয়োজনীয় বিষয়৷ বিজ্ঞানৰ ন ন উদ্ভাৱনৰ ফলত আৰু মানৱ সমাজৰ বৈজ্ঞানিক মানসিকতাৰ প্ৰতি থকা আগ্ৰহৰ ফলত অসমীয়া সাহিত্যই প্ৰসাৰতা লাভ কৰিছে৷ আমাৰ আলোচনাৰ মাজেৰে এই বিষয়সমূহ বিশ্লেষণ কৰা প্ৰধান লক্ষ্য৷

বৰ্তমান বিভিন্ন সামাজিক মাধ্যমত অসমীয়া সাহিত্যই চৰ্চা আৰু প্ৰসাৰতা লাভ কৰিছে৷ এই বিষয়েও আলোচনাৰ অৱকাশ আছে৷ সেয়েহে আমাৰ গৱেষণা পত্ৰত এই বিষয়সমূহ বিস্তৃতভাৱে আলোচনা কৰা আন এক উদ্দেশ্য৷

পদ্ধতিঃ

আমাৰ গৱেষণা পত্ৰখনত তথ্যভিত্তিক বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব৷ মুখ্য-গৌণ সমলৰ সহায়ত সম্পূৰ্ণ বিশ্লেষণাত্মক পদ্ধতিৰে গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হ'ব৷

বিষয়ৰ -বিশ্লেষণঃ

অসমীয়া সাহিত্যৰ বিকাশত বিজ্ঞানৰ ভূমিকাঃ

আৰম্ভণি কালৰ পৰা অসমীয়া সাহিত্যৰ চিন্তা-চেতনাৰ সৈতে বিজ্ঞানৰ ওতঃপ্ৰোতঃ সম্পৰ্ক আছে৷ অসমত লিখিত সাহিত্য সৃষ্টিৰ আগতে যিবোৰ অলিখিত সাহিত্য পৰম্পৰাগতভাৱে মানুহৰ স্মৃতিৰ মাজত জীয়াই আছিল, সেইবোৰৰ মাজতো বৈজ্ঞানিক মানসিকতাৰ প্ৰতিফলন ঘটিছিল৷ এইক্ষেত্ৰত ডাকৰ বচনসমূহ উল্লেখযোগ্য৷ ডাকৰ বচনৰ জৰিয়তে স্বাস্থ্য, কৃষি, পৰিৱেশ আদিৰ বিষয়ে আঙুলিয়াই দিয়া দেখা যায়৷

অসমীয়া সাহিত্যৰ বিকাশ সাধনত বিজ্ঞানমূলক সাহিত্য এক উল্লেখনীয় বিষয়৷ বিজ্ঞান সাহিত্যসমূহ প্ৰচাৰ আৰু প্ৰসাৰ হৈছিল গ্ৰন্থ, আলোচনী, বাতৰিকাকত, ৰেডিঅ', দূৰদৰ্শন আদিৰ জৰিয়তে৷ প্ৰাচীন অসমীয়া সাহিত্যত খুব বেছি বিজ্ঞান সাহিত্য সৃষ্টি হোৱা নাছিল৷ কিন্তু অসমত আহোম ৰাজত্বৰ শেষৰফালে কিছুসংখ্যক সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুদিত হৈছিল৷ তাৰ ভিতৰত বিজ্ঞানমূলক গ্ৰন্থও আছিল৷ সেইবোৰৰ ভিতৰত বকুল কায়স্থৰ কিতাবতমঞ্জৰী; ভাস্কৰাচাৰ্য্যৰ লীলাৱতী কথা; চূড়ামণিৰ জ্যোতিষ চূড়ামণি আৰু জ্যোতিষ পুথি; কবিৰাজ চক্ৰৱৰ্তীৰ অংকৰ আৰ্য্যা; সুকুমাৰ বৰকাথৰ হস্তীবিদ্যাৰ্ণব সাৰ সংগ্ৰহ আৰু ঘোৰানিদান, কাশীনাথৰ অংকৰ আৰ্য্যা আদি উল্লেখযোগ্য৷ উল্লেখযোগ্য যে এই গ্ৰন্থবোৰ সাঁচিপাত আৰু তুলপাতত লিখা আছিল৷ অসমত মিছনেৰীসকলৰ সহায়ত ছপাশাল তৈয়াৰ হোৱাৰ পিছত অসমীয়া সাহিত্যই প্ৰকাশৰ পথ বিচাৰি পাইছিল৷ ১৮৪৬ চনত মিচনেৰীসকলৰ প্ৰচেষ্টাত প্ৰকাশিত প্ৰথম অসমীয়া আলোচনী অৰুনোদইত সাহিত্যৰ বিভিন্ন শিতানৰ লগত বিজ্ঞানবিষয়ক সাহিত্যৰ ওপৰত গুৰুত্ব দিয়া দেখা গৈছিল৷ ''এই কাকতত দেশ-বিদেশৰ ভৌগোলিক বিৱৰণ, প্ৰাণীতত্ব, নৃতত্ব, ভূতত্ব, জ্যোৰ্তিবিজ্ঞান, পদাৰ্থবিজ্ঞান, শৰীৰতত্ব, যন্ত্ৰ, যানবাহন, বেলুন, আকাশীযান আদি নানান বিষয়ৰ ওপৰত লেখা খা-খবৰ, প্ৰবন্ধপাতি আদি প্ৰকাশ পাইছিল৷ কিন্তু কাকতখন যিহেতু সাধাৰণ পাঠকৰ কাৰণেহে আছিল, সেয়ে বিজ্ঞানৰ বেছিভাগ কথা বাতৰিৰ ৰূপতহে প্ৰকাশ পাইছিল৷ সাধাৰণ পাঠকৰ আকৰ্ষণ কৰিবৰ কাৰণেই দুই চাৰিটা কথা কবিতাৰ ৰূপতো প্ৰকাশ কৰা হৈছিল –

সকলো জন্তুৰ মাজত তিমি অতি ভয়ংকৰ,

সাগৰ মধ্যে থাকে সিটো দেখি লাগে গুৰ;

তথাপিও তাৰ ওপৰত মানুহ অধিকাৰ,

সেইকাৰণে মৰি তাৰ লই তেল হাৰ;ৰ [অৰুনোদই, নৱেম্বৰ, ১৮৪৬ ]

আধুনিক অসমীয়া সাহিত্যৰ আৰম্ভণি হোৱাৰ লগে লগে বিজ্ঞান সাহিত্যই অগ্ৰগতি লাভ কৰিছিল৷ ''অৰুণোদই'' কাকতৰ প্ৰথম বছৰ দ্বিতীয় সংখ্যাত [ফেব্ৰুৱাৰী, ১৮৪৬] প্ৰকাশ হোৱা 'গ্ৰহৰ বিৱৰণ' আৰু 'প্ৰিথিবিৰ আকাৰৰ বিসই' নামৰ ৰচনা দুখনেই অসমীয়া বিজ্ঞান সাহিত্যৰ প্ৰথম লেখনী'' [বৰুৱা ক্ষীৰধৰ, ২০০৫, পৃ.১৮] অৰুণোদইৰ পৰৱত[1] কালৰ আলোচনী-আসাম বন্ধু, মৌ, জোনাকী, বিজুলী, ঊষা, আসাম বান্ধৱ, চেতনা, মিলন, বাঁহী,অসম হিতৈষী, আৱাহন, জয়ন্তী, স্বাস্থ্যপ্ৰদীপ, ৰামধেনু, দীপক, আমাৰ প্ৰতিনিধি, সাদিনীয়া নৱযুগ, নতুন পৃথিৱী, লহৰ, প্ৰকাশ, আকাশ, প্ৰান্তিক, সঁফুৰা, আজিৰ সময়, মৌচাক, নতুন আৱিষ্কাৰ, মুকুতা, ডেউকা, সূত্ৰধাৰ, কিশোৰ, গৰিয়সী, নতুন পদাতিক, বিস্ময় আদিয়ে বিজ্ঞান বিষয়ৰ প্ৰবন্ধ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ বিকাশত অৰিহণা যোগাইছিল৷ বিশেষভাৱে আলোচনীসমূহত সন্নিৱিষ্ট বিজ্ঞান শিতানৰ জৰিয়তে বিজ্ঞান জনমুখী কৰাৰ লগতে অসমীয়া সাহিত্যকো সমৃদ্ধ কৰি তুলিছে৷ ইয়াৰ বাহিৰেও বিজ্ঞানৰ নিৰ্দিষ্ট শাখাৰ কেতবোৰ আলোচনীয়ে বিজ্ঞান সাহিত্যকঅধিক প্ৰসাৰী কৰি সাহিত্যৰ

শ্ৰীবৃদ্ধি সাধন কৰিছে। এনেধৰণৰ আলোচনীবোৰৰ ভিতৰত 'পশুপালন' [১৯২৪, প্ৰথম অসমীয়া বিজ্ঞান আলোচনী], 'পদাৰ্থবিজ্ঞান পত্ৰিকা' [১৯৭৫], 'গণিত বিকাশ' [দ্বিভাষিক অসমীয়া, ইংৰাজী], 'ভৌগোলিক', 'ৰসায়ন শিক্ষা', বিজ্ঞান জেউতি আদি উল্লেখযোগ্য। ১৯৬১ চনত অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত পূৰ্ণাংগ বিজ্ঞান আলোচনী 'বিজ্ঞান জেউতি'য়ে সাম্প্ৰতিক সময়তো অসমীয়া বিজ্ঞান সাহিত্যত এক বিশেষ স্থান অধিকাৰ কৰি আছে। ''এটা কথা অনস্বীকাৰ্য যে বিজ্ঞান জেউতিৰ পাততেই অসমৰ ভালেকেইজন বিজ্ঞান লেখক তথা সাহিত্যিকৰ জন্ম আৰু লালন পালন হৈছে [বৰুৱা ক্ষীৰধৰ, ২০০৫, পৃ.৬৯] বিজ্ঞান জেউতিৰ প্ৰথম সংখ্যাৰ সম্পাদকীয় পৃষ্ঠাত অসমীয়া সাহিত্য আৰু বিজ্ঞান শীৰ্ষক আলোচনা এটি প্ৰকাশ পাইছিল। এই আলোচনাটোত সম্পাদকে উল্লেখ কৰিছিল – ''বিজ্ঞানৰ বিচিত্ৰ কাহিনীবোৰ সহজ সৰলভাৱে অসমীয়াত প্ৰকাশ কৰাই বিজ্ঞান জেউতিৰ উদ্দেশ্য।''৩ [বৰুৱা, ক্ষীৰধৰ, ২০০৫, পৃ.৬৯] নিশ্চিতভাৱে উক্ত আলোচনীসমূহ সাহিত্য সম্প্ৰসাৰণৰ উপযুক্ত মাধ্যম।

অসমত বৰ্তমান প্ৰচলিত দৈনন্দিন, তিনিদিনীয়া, সাপ্তাহিক, বাতৰিকাকতসমূহত বিজ্ঞানৰ সচিত্ৰ বাতৰি, প্ৰবন্ধ আদি নিয়মীয়াকৈ প্ৰকাশ পায়। ইয়ে মানুহক বৈজ্ঞানিক জ্ঞানেৰে সমৃদ্ধ কৰাৰ লগতে আধুনিক বিজ্ঞানৰ বিষয়সমূহৰ সৈতে পৰিচয় কৰাই দিয়ে। ৰেডিঅ'ত উপলব্ধ বিভিন্ন অনুষ্ঠানৰ জৰিয়তে বিজ্ঞানবিষয়ক কথিকা, ৰূপক, নাটক, গল্প, কৃষি সম্বন্ধীয় দিহা পৰামৰ্শ আদি শুনিবলৈ পোৱা যায়। ''অসমৰ দৰে এখন অনেক দৰিদ্ৰ সীমাৰেখাৰ তলত থকা আৰু নিৰক্ষৰ লোকে বাস কৰা ৰাজ্যত জনগণৰ মাজলৈ বিজ্ঞানক লৈ যাবলৈ ৰেডিঅ'ৰ দৰে অন্য উপযোগী মাধ্যম আৰু নাই। ই বিজ্ঞান জনসংযোগৰ অভিনৱ মাধ্যম।''

সাম্প্ৰতিক অসমীয়া সাহিত্যৰ বিকাশত সামাজিক মাধ্যমৰ ভূমিকাঃ

ইণ্টাৰনেটৰ জৰিয়তে উপলব্ধ এক অভিনৱ যোগাযোগ ব্যৱস্থাই হৈছে সামাজিক মাধ্যম। ই কম্পিউটাৰৰ দ্বাৰা পৰিচালিত হয়। ''ইণ্টাৰনেট আধাৰিত যিবোৰ সেৱা আৰু মঞ্চই ব্যৱহাৰকাৰীক অতি কম সময়তে প্ৰত্যক্ষাভাৱে আনৰ সৈতে পাৰস্পৰিক যোগাযোগৰ সুবিধা দিয়ে, সেইবোৰেই হৈছে সামাজিক মাধ্যম। দৰাচলতে ই এটা ছাতিসদৃশ পৰিভাষা। ইয়াৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ মঞ্চ সোমাই আছে। কিছুমান সামাজিক মাধ্যমে ব্যৱহাৰকাৰীক বাৰ্তালাপ পদ্ধতিৰ দৰে আনৰ সৈতে যোগাযোগৰ সুবিধা দিয়ে। Facebook, Twiter, Linkedin আদি এনে মঞ্চ। এইবোৰক Social Networking Sites বোলা হয়। কিছুমানত কেৱল ফটো (Image) বিনিময় হয়। Instragram, Snapchat, Pinterest আদি এনেবোৰ সামাজিক মাধ্যম। Youtube, Vimeo আদিৰ দৰে মঞ্চত ব্যৱহাৰকাৰীয়ে বিভিন্ন বিষয়ৰ ভিডিঅ' প্ৰস্তুত কৰি উপস্থাপন কৰে। এইবোৰ হৈছে Video Sharing Sitesl কিছুমান মঞ্চত ব্যৱহাৰকাৰীয়ে কোনো বিষয়ত নিজস্ব মতামত অনানুস্থানিক ৰূপত বাৰ্তাকাৰে দিব পাৰে, যাক ব্লগিং বুলি কোৱা হয়। Mediam, Tumbler আদি এনে মঞ্চ । কিছুমান মঞ্চই ব্যৱহাৰকাৰীক যিকোনো বিষয়ত প্ৰশ্ন উথাপন আৰু তাৰ সমাধানৰ আলোচনা আৰু সম্পাদনাতো সুবিধা দিয়ে। এনেবোৰ মঞ্চক সামাজিক সমূহীয়া আলোচনা মঞ্চ বা Social Community discussion sites বুলি কোৱা হয়। Quora, Reddit আদি এনে মঞ্চ''। উক্ত সামাজিক মাধ্যামসমূহে সমাজৰ বিভিন্ন ক্ষেত্ৰক এনেদৰে স্পৰ্শ কৰিছে যে, ই বিশ্বৰ সবাটোকৈ প্ৰযোজনীয় অংগ হিচাপে বিবেচিত হৈছে। অসমীয়া সাহিত্যৰ বিকাশত ইউটিউ'ব, ফেচবুক আদিয়ে বিশেষ সেৱা আগবঢ়াইছে। ইউটিউবত অসমীয়া সাহিত্যৰ বিভিন্ন শিতানৰ পাঠৰ শ্ৰৱণ, পঠন আৰু আলোচনাৰ সুবিধা আছে। দূৰদুৰণিত থকা অভিজ্ঞ শিক্ষক বা শিক্ষাদানৰ প্ৰতি আগ্ৰহ থকা ব্যক্তিসকলে ইউটিউ'বত আগৱঢ়োৱা পাঠৰ দ্বাৰা বিশেষভাবে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হোৱা দেখা গৈছে। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ ক্ষেত্ৰখন বিস্তৃত হৈছে। এটা বিষয় গভীৰভাৱে আহৰণ কৰিবলৈ বিভিন্ন তথ্যৰ প্ৰয়োজন আহি পৰিছে। কিছুমান তথ্য হয়তো গ্ৰহ অধ্যয়নৰ জুৰিয়তেও লাভ কৰা অসুবিধা হৈছে। এইক্ষেত্ৰত ইউটিউবৰ ভূমিকা সৰ্বাধিক। ইয়ে শিক্ষাৰ্থী[1]সকলক পাঠ সহজবোধগম্য কৰি তোলে। সাম্প্ৰতিক সময়ত সবাটোকৈ জনপ্ৰিয় মাধ্যম হৈছে ফেচবুক। ফেচবুক যোগাযোগৰ এক উৎকৃষ্ট মাধ্যম। কিন্তু বৰ্তমান সময়ত ই পাৰস্পৰিক যোগাযোগ স্থাপনৰ লগতে সাহিত্য চৰ্চাৰ এক বিশাল ক্ষেত্ৰ এখন তৈয়াৰ কৰিছে। বিশেষভাৱে নৱপ্ৰজন্ম এই ক্ষেত্ৰখনৰ সৈতে অধিকভাৱে জড়িত হৈ পৰা দেখা যায়। ফেচবুকৰ পৃষ্ঠাত ভালেসংখ্যক গোটৰ সৃষ্টি হৈছে। এই গোটবোৰৰ জৰিয়তে অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ এক সুপৰিৱেশ তৈয়াৰ হৈছে। তেনে গোটসমূহৰ ভিতৰত –

১। অসমীয়াত কথা-বতৰা

২। অসমীয়া কবিতা চৰ্চা

৩। কবিতাৰ মায়াজাল

৪। অসমীয়া গদ্য চৰ্চা

৫। অসমীয়া সাহিত্য চৰ্চাৰ পথাৰ

৬। ভাষা-সাহিত্য সংস্কৃতিৰ বৰঘৰ

৭। সাহিত্য সংস্কৃতিৰ মঞ্চ অসম

৮। পদ্য আৰু গদ্যৰ কঠিয়াতলী [সৃষ্টি অসম]

৯। সাহিত্যৰ অন্বেষণ

১০। সাহিত্যৰ জুহাল

১১। নতুন সাহিত্য পৰিষদ, গুৱাহাটী

১২। ভূপেন্দ্র সাহিত্য আৰু সাহিত্য চৰ্চা

১৩। কবিতা কুঞ্জ

১৪। অণু গল্প

১৫। অসম কবি সন্মিলন

১৬। কথা গল্প

১৭। সাহিত্য পথাৰত সোণগুটি সিঁচা

১৮। অনুৰণন

সাহিত্যৰ বিকাশত গোটসমূহৰ ভূমিকা ঃ

১। গোটসমূহৰ জৰিয়তে সাহিত্য চৰ্চাৰ নতুন পৰিৱেশ ৰচিত হোৱাৰ লগতে কিছুসংখ্যক নতুন লেখকৰ সৃষ্টি হৈছে।

২। সাহিত্য চৰ্চা একশ্ৰেণী লোকৰ মাজত সীমাৱদ্ধ আছিল। কিন্তু সামাজিক মাধ্যমৰ সুফলে সাহিত্য চৰ্চা সকলো লোকলৈ বিয়পাই দিছে।

৩। গোট সমূহত গল্প, কবিতা আদিৰ পাঠ, আবৃত্তিৰ লগতে আলোচনা চক্ৰ কবিসন্মিলন আদি অনুষ্ঠিত হয়।

৪। প্ৰবন্ধ, চুটিগল্প, কবিতা, অণুগল্প আদি ৰচনাৰ প্ৰতিযোগিতা ফেচবুকৰ গোটত অনুষ্ঠিত হোৱাৰ ফলত সাহিত্য চৰ্চাৰ প্ৰতি সদস্যসকল উৎসাহিত হোৱা দেখা গৈছে। গৃহিণীসকলেও সাহিত্য চৰ্চাৰ মঞ্চ এখন বিচাৰি পাইছে। অসমীয়া কবিতা চৰ্চা গোটৰ দ্বাৰা অসমীয়া কবিতাৰ পাণ্ডুলিপি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ শেষত আটাইবোৰ পাণ্ডুলিপি একগোট কৰি প্ৰকাশৰ বাৱস্থা কৰা হয়। ইয়ে কবিতা চৰ্চাৰ প্ৰতি কবিসকলক প্ৰেৰণা যোগায়।

৫। গোটসমূহত সৃষ্টি হোৱা ৰচনাৰাজি সময়ে সময়ে গ্ৰন্থ আকাৰে ছপা মাধ্যমত প্ৰকাশ পাইছে।

৬। অনুৰণন গোটৰ মাজেৰে অসমীয়া ভাষা শুদ্ধ ৰূপত চৰ্চা কৰিবলৈ উদগনি দিয়া হয়। ৰোমান লিপিৰে আৰু ইমোজিৰে মন্তব্য দিয়া এই গোটে গ্ৰহণ নকৰে।

বৰ্তমান সময়ত ই-মেগাজিন আৰু ই-জাৰ্ণাল সমূহৰ জৰিয়তেও উচ্চমানবিশিষ্ট সাহিত্যৰ সৃষ্টি হৈছে। কেইখনমান ই-মেগাজিনৰ নাম উল্লেখ কৰা হ'ল –

১। যাত্ৰা – ২০০২ চনত প্ৰকাশ পোৱা দুমহীয়া ই-আলোচনী। দুইবছৰ প্ৰকাশ পোৱাৰ পিছত ইয়াৰ প্ৰকাশ বন্ধ হৈছিল। বৰ্তমান ইয়াৰ প্ৰচলন আৰম্ভ হৈছে। 'নবীনেই এদিন প্ৰবীন'- যাত্ৰা আলোচনীৰ মূলমন্ত্ৰ।

২। অসমীয়া প্ৰিয়দৰ্শিনী – মাহেকীয়া ই' আলোচনী

৩। কেন ভাৰ্চ – গুৱাহাটীৰ পৰা প্ৰকাশিত মাহেকীয়া ই-আলোচনী।

৪। গ্ৰন্থাকাৰ - অসমত প্ৰচলিত ই-আলোচনীৰ লিংক আৰু পি ডি এফ প্ৰকাশৰ উমৈহতীয়া মঞ্চ।

৫। ৰামধেনু অসম

৬। আস্থা

ইয়াৰ বাহিৰেও বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা প্ৰকাশিত ই মেগাজিনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চা কৰিবলৈ সুবিধা পাইছো তেনে কেইবাখনমান ই-আলোচনীৰ নামোল্লেখ কৰা হ'ল –

Arthapatra ঃ কটন কলেজৰ পৰা প্ৰকাশিত ই-আলোচনী। প্ৰথম সংস্কৰণ, ২০২১ চন

Hachati [হাঁচতি] ঃ আৰ্য্যবিদ্যাপীঠ কলেজৰ অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত।

Ecoverse ঃ গুৱাহাটী কমাৰ্চ কলেজৰ অৰ্থনীতি বিভাগৰ দ্বাৰা প্ৰকাশিত।

AAKHAR [আখৰ] ঃ উত্তৰ লক্ষীমপুৰ কলেজৰ পৰা প্ৰকাশিত ই আলোচনী। ২০১৫ চনত প্ৰথম প্ৰকাশ হয়। প্ৰতিবছৰে জুন আৰু ডিচেম্বৰ মাহত ওলায়।

Guwahatian ঃ ইন্সটিটিউট অফ এদভান্স অফ এডভান্স ষ্টাডি ইন চায়েন্স এণ্ড টেকনোলজিয়ে প্ৰকাশ কৰা ই মেগাজিন।

আনহাতে 'মুক্তচিন্তা' আৰু 'Environmentalism' (Aa peer review Interdisciplinary, International e Journal) ই জাৰ্ণাল দুখনৰ উপৰিও বিভিন্ন জাৰ্ণালে অসমীয়া সাহিত্য সমৃদ্ধিশালী কৰাৰ লগতে সাহিত্য চৰ্চাকাৰীৰো সংখ্যা বৃদ্ধি কৰিছো সাহিত্য চৰ্চাৰ ক্ষেত্ৰত ভাষা জ্ঞান অত্যন্ত প্ৰয়োজনীয় বিষয়। সামাজিক মাধ্যমত এই দিশটোৰ চৰ্চা হোৱা দেখা যায় ইণ্টাৰনেটত উপলব্ধ www.xobdo.org অসমীয়া শব্দৰ প্ৰতিশব্দ আৰু ফকৰা-যোজনা সন্নিৱিষ্ট অভিধান এখন প্ৰণয়ন হৈছে। ইয়াক 'শব্দ' নামাংকন কৰা হৈছে। এই অভিধানখনত প্ৰায় চল্লিশ হাজাৰ [৪০,০০০] শব্দ আছে। একেদৰে www.xatiya.org ৱেবচাইটে সামাজিক মাধ্যমত অসমীয়া ভাষাৰ হকে কাম কৰা দেখা যায়।

সামৰণি ঃ

বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে অসমীয়া সাহিত্যইও স্বকীয় দিশেৰে বিকশিত ৰূপ গ্ৰহণ কৰিছো বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। গতিকে ইয়াৰ লগত খোজ মিলাই লেখকসকলেও সহিত্য চৰ্চা ৰ এখন সুকীয়া মঞ্চ প্ৰতিষ্ঠা কৰিছে আৰু সাহিত্যক বিশ্বমুখী কৰিবলৈ চেষ্টা কৰিছো যিহেতু বৃহৎসংখ্যক লোকে আসমীয়া ভাষা-সাহিত্যৰ চৰ্চাত আত্মনিয়োগ কৰি আছে, গতিকে ভাষাটোৰ প্ৰকাশিক শক্তিও নিয়ে বৃদ্ধি পাব। কিন্তু এইক্ষেত্ৰত লেখকসকল যথেষ্ট সচেতন হোৱা দৰকাৰ। ভাষাৰ অন্তৰ্গত শব্দ, বাক্য, ব্যাকৰণ, আখৰ জোঁটনি, যতিচিহ্ন আদি প্ৰয়োগৰ ক্ষেত্ৰত সামাজিক মাধ্যমত কেতিয়াবা বিসংগতি দেখা যায়। তদুপৰি সামাজিক মাধ্যমত নতুন নতুন শব্দৰ আমদানি এক লক্ষণীয় বিষয়। গতিকে শুদ্ধৰূপত শব্দ প্ৰয়োগ, ভাষা প্ৰয়োগ আৰু সাহিত্যৰ গুণগত মান ৰক্ষা কৰি সাহিত্য চৰ্চাত মনোনিৱেশ কৰিলে অসমীয়া ভাষা-সাহিত্য সংৰক্ষণ আৰু সংবৰ্দ্ধন হ'ব।

পাদটীকা

১। বৰুৱা, ক্ষীৰধৰ [সম্পাদিত] ঃ অসমীয়া বিজ্ঞান সাহিত্যৰ অতীতৰ পৰা বৰ্তমানলৈ, পৃ.১৪

২। বৰুৱা, ক্ষীৰধৰ [সম্পাদিত] ঃ অসমীয়া বিজ্ঞান সাহিত্যৰ অতীতৰ পৰা বৰ্তমানলৈ, পৃ.১৮

৩। বৰুৱা, ক্ষীৰধৰ [সম্পাদিত] ঃ অসমীয়া বিজ্ঞান সাহিত্যৰ অতীতৰ পৰা বৰ্তমানলৈ, পৃ.৬৯

৪। হালৈ, মহন্ত [প্ৰবন্ধ] ঃ নিয়মীয়া বাৰ্তা কাকত

সহায়ক গ্ৰন্থ

১। পাঠক, উত্তম চন্দ্ৰ ঃ অসমীয়া বুৰঞ্জী আৰু ব্যৱহাৰিক পুথিৰ বিশ্লেষণাত্মক অধ্যয়ন, প্ৰথম প্ৰকাশ, ২০০৬, প্ৰকাশক শ্ৰীমনজিৎ পাঠক।

২। বৰুৱা, ক্ষীৰধৰ [সম্পা.] ঃ অসমীয়া বিজ্ঞান সাহিত্য অতীতৰ পৰা বৰ্তমানলৈ, প্ৰথম প্ৰকাশ ডিচেম্বৰ, ২০০৫, প্ৰকাশক ঃ অসম বিজ্ঞান

সমিতি

৩। মজুমদাৰ, পৰমানন্দ [সম্পা.]
আৰু ডেকা, যোগেশ চন্দ্ৰ ঃ বিজ্ঞান, প্ৰযুক্তি আৰু অসম প্ৰকাশকঃ ষ্টুডেণ্টছ ষ্টৰচ, গুৱাহাটী, প্ৰথম প্ৰকাশঃ নৱেম্বৰ, ১৯৯৮

৪। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, দশম সংস্কৰণ, পুনৰ মুদ্ৰণ, ২০১৮

প্ৰবন্ধ

১। হালৈ, মহন্ত দীপামণি ঃ সামাজিক মাধ্যম আৰু ভাষা, নিয়মীয়া বাৰ্তা, আগষ্ট ১৮, ২০২০

ৱেবছাইট

১। xahitya.org

২। xondhan.com